# ইজৰাইলৰ ৰাষ্ট্ৰপতিৰ ভাৰতলৈ ৰাষ্ট্ৰীয় ভ্ৰমণ (নভেম্বৰ ১৪–২১, ২০১৬)

ৰাষ্ট্ৰপতি জি প্ৰণৱ মুখাৰ্জীৰ আমন্ত্ৰণক্ৰমে ইজৰাইলৰ ৰাষ্ট্ৰপতি জনাব ৰুয়েভেন ৰিভিলিনে নভেম্বৰ ১৪–২১, ২০১৬ তাৰিখলৈ ভাৰতলৈ ৰাষ্ট্ৰীয় ভ্ৰমন কাৰ্য্যসূচী লৈ আহিব।তেওঁৰ এই ভ্ৰমনকালত তেওঁৰ সহধৰ্মীনি শ্ৰীমতী নেচোমা ৰিভিলিনে আৰু ইজৰাইলৰ উচ্চস্তৰীয় বিষয়া সকলে, শিক্ষাবিদ আৰু ব্যৱসায়ি নেতৃবৃন্দৰ এক উচ্চপৰ্যায়ৰ প্ৰতিনিধিৰ দলে সংগী দিব।

ভ্ৰমনকালত প্ৰেচিডিন্টে ৰিভিলিনিক ভাৰতৰ ৰাষ্ট্ৰপতিয়ে আদৰনি জনোৱাৰ উপৰিও তেওঁৰ সন্মানাৰ্থে এক ভোজসভাৰ আয়োজন কৰিব।ভাৰতৰ উপৰাষ্ট্ৰপতি শ্ৰী মহম্মদ হামিদ আনচাৰীয়ে তেওঁৰ সৈতে সাক্ষাত কৰিব।প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে ১৫ নভেম্বৰ ২০১৬ তাৰিখে প্ৰেচেডিন্টে ৰিভিলিনিৰ সৈতে এক দ্বিপাক্ষীক বৈঠকত মিলিত হব আৰু এক মধ্যান্থভোজৰ আয়োজন কৰিব।বিদেশ মন্ত্ৰী শ্ৰীমতী সুষমা স্বৰাজে প্ৰেচেডিন্টে ৰিভিলিনিৰ সৈতে সাক্ষাত কৰিব।এই ভ্ৰমনকালত প্ৰেচেডিন্টে ৰিভিলিনে ভাৰত আৰু ইজৰাইলৰ উভয়দেশৰ ব্যৱসায়িক নেতৃবৃন্দৰ সৈতে সাক্ষাত কৰাৰ আশা কৰা হৈছে।ইয়াৰ উপৰিও প্ৰেচেডিন্টে ৰিভিলিনে কৃষিক্ষেত্ৰৰ 'শ্ৰেষ্ঠ কেন্দ্ৰ' কৰ্ণাল ভ্ৰমন কৰিব।ইয়াৰ উপৰিও তেওঁৰ এই ভ্ৰমন কালত তেওঁ এগ্ৰোটেক –২০১৬ ত অংশগ্ৰহন কৰিব।

অৰ্থনৈতিক আৰু বানিজ্য, বিজ্ঞান আৰু প্ৰযুক্তি, গৱেষণা আৰু উদ্ভাৱন, সংস্কৃতি আৰু পৰ্যটন, শিক্ষা ক্ষেত্ৰত ভাৰত আৰু ইজৰাইলৰ মাজত চমতকাৰ আৰু শক্তিশালী সম্পৰ্ক স্পষ্ট।

নতুন দিল্লী

০৯ নভেম্বৰ ২০১৬